*Office of the principal*

# DHAKUAKHANA COLLEGE

DHAKUAKHANA-787055

*(Reaccredited with 'A' grade by NAAC)*

Website: www.dhakuakhanacollege.ac.in
E-mail : principaldhakuakhanacollege@gmail.com

Ph. No. 03752 254734
M.No. 9401120216

Ref. No. DKC/Estd/Admn/2024-25/2024-632 Date: 17-05-2024

## উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিকৰ নামভৰ্ত্তিৰ জাননী

ইয়াৰ দ্বাৰা ঢকুৱাখনা মহাবিদ্যালয়ৰ প্ৰথম বাৰ্ষিক (কলা আৰু বিজ্ঞান শাখা) ত নামভৰ্ত্তি কৰিব বিচৰা প্ৰাৰ্থীসকলৰ জ্ঞাতাৰ্থে জনোৱা হয় যে নামভৰ্ত্তিৰ Online আৱেদন দাখিলৰ প্ৰক্ৰিয়া ২৩-০৪-২০২৪ তাৰিখৰ পৰা Darpan Portal (http://darpan.ahseconline.in) ৰ জৰিয়তে আৰম্ভ হৈছে। আৱেদন দাখিলৰ সময় সীমা (১৫-০৫-২০২৪) ইতিমধ্যে পাৰ হৈ গৈছে।

গতিকে ঢকুৱাখনা মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক (কলা আৰু বিজ্ঞান শাখা) ত নামভৰ্ত্তি কৰিব বিচৰা ছাত্ৰ-ছাত্ৰীসকলক জনোৱা হয় যে-

১। নামভৰ্ত্তিৰ বাছনি তালিকা (Selection list) আৰু অপেক্ষা তালিকা (Waiting list) মহাবিদ্যালয়ৰ ৱেবচাইট www.dhakuakhanacollege.ac.in আৰু http://darpan.ahseconline.in ত অহা ইং ২০ মে', ২০২৪ তাৰিখে উপলব্ধ হ'ব।

২। নিৰ্বাচিত ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ বাছনি সম্পৰ্কীয় তথ্য তেওঁলোকে পঞ্জীয়ন কৰা ম'বাইল নম্বৰত SMS যোগে লাভ কৰিব।

৩। বাছনি তালিকা (Selection list) ত নাম অন্তৰ্ভুক্ত হোৱা ছাত্ৰ-ছাত্ৰীসকলে Darpan Portal ত তেওঁলোকৰ Login Id ব্যৱহাৰ কৰি শিক্ষানুষ্ঠান নিৰ্বাচন কৰিব লাগিব। প্ৰাৰ্থীসকলে বাছনি কৰা শিক্ষানুষ্ঠানখন এবাৰ নিৰ্বাচন কৰাৰ পিছত কোনো পৰিস্থিতিতে সলনি কৰিব নোৱাৰিব।

৪। বাছনি তালিকাত নাম অন্তৰ্ভুক্ত হোৱা ছাত্ৰ-ছাত্ৰীসকলে ২০-০৫-২০২৪ আৰু ২১-০৫-২০২৪ তাৰিখে ঢকুৱাখনা মহাবিদ্যালয়লৈ আহি নামভৰ্ত্তি কৰিব পাৰিব। ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকে অধ্যয়ন কৰিবলগা বিষয়সমূহ নামভৰ্ত্তিৰ সময়তো সলনি কৰিব পাৰিব।

৫। মহাবিদ্যালয়ৰ কলা আৰু বিজ্ঞানৰ (NCC / Scouts, Sports, Cultural, Wards of employees of the College) ইত্যাদি সংৰক্ষিত আসনৰ বাবে প্ৰাসংগিক (Relevent) নথি-পত্ৰৰ প্ৰতিলিপিসমূহ নামভৰ্ত্তিৰ সময়ত জমা দিব লাগিব।

৬। বাছনি তালিকাত নাম থকা ছাত্ৰ-ছাত্ৰীসকলে নিৰ্ধাৰিত দিনত নামভৰ্ত্তি নকৰিলে খালী হোৱা আসন পূৰাবৰ বাবে অপেক্ষা তালিকা (Waiting list) –ৰ পৰা নামভৰ্ত্তিৰ বাবে বিবেচনা কৰা হ'ব।

৭। ছাত্ৰ-ছাত্ৰীসকলে http://dheonlineadmission.amtron.in/sp/ ত Register কৰি Unique ID Generate কৰিব আৰু Unique ID টোৰ পঞ্জীয়নৰ প্ৰতিলিপি নামভৰ্ত্তিৰ সময়ত জমা দিব লাগিব।

৮। নামভৰ্ত্তিৰ সময়ত Marksheet, Pass Certificate, Admit Card, Caste Certificate (if applicable), Income certificate (if applicable) আৰু Gap certificate (if applicable) আদিৰ মূল কপি দেখুৱাই প্ৰতিলিপিসমূহ জমা দিব লাগিব।

৯। নামভৰ্ত্তি সম্পৰ্কীয় বিতং তথ্য http://darpan.ahseconline.in ত লাভ কৰিব।

17/05/24

অধ্যক্ষ,
ঢকুৱাখনা মহাবিদ্যালয়,
ঢকুৱাখনা